# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-05-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। দেশৰ ছখন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত আজি পুৱাৰেপৰা পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ। বিজেপিৰ ৰাজনাথ সিং, পীয়ুষ গোৱেল, কংগ্ৰেছৰ ৰাহুল গান্ধীৰ দৰে আগশাৰীৰ প্ৰাৰ্থীৰ আজি ৰাজনৈতিক ভাগ্য নিৰ্ণয়।

২। ওড়িশা বিধানসভাৰ ৩৫ খন আসনৰ বাবে ভোটগ্ৰহণ আৰম্ভ।

৩। লোকসভাৰ পৰৱৰ্তী দুটা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৪। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত অহা ৫ জুনৰ ভিতৰত মৌচুমীৰ আগমন ঘটিব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ পূৰ্বানুমান।

*আৰু*

৫। গুৱাহাটীত হোৱা আই পি এলৰ অন্তিম লীগৰ খেল বৰষুণৰ বাবে পৰিত্যক্ত। আহমেদাবাদত কাইলৈ হ'বলগীয়া প্ৰথম কোৱালিফায়াৰত কলকাতা নাইট ৰাইডাৰ্ছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০০০

দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে আজি লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। আজি ভোটগ্ৰহণ হোৱা সমষ্টিসমূহৰ ভিতৰত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবঙ্গৰ সাতটা, ওড়িশা আৰু বিহাৰৰ ৫ টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টি আছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণৰ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। এই পৰ্য্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, কে এল শৰ্মা, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামবিলাস পাছোৱানৰ চিৰাগ পাছোৱান অন্যতম। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ৯৪ হাজাৰ ৭৩২ টা ভোটগ্ৰহণ কেন্দ্ৰত ৯ লাখ ৪৭ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে।

নিৰ্বাচন আয়োগে ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱা পানী, ৰেম্প, শৌচালয়, হুইল চেয়াৰ আদিৰ ব্যৱস্থা কৰাৰ লগতে বয়োজ্যেষ্ঠ আৰু বিশেষভাৱে সক্ষম লোকসকলে যাতে ভোটদান কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা নিশ্চিত কৰিছে।

উল্লেখযোগ্য যে লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্য্যায়ৰ সমান্তৰালভাৱে আজি ওড়িশাৰ ৩৫ টা বিধানসভা সমষ্টিৰ বাবেও ভোটগ্ৰহণ কৰা হৈছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ ইতিমধ্যে ভোটগ্ৰহণ অনুষ্ঠিত হৈ যোৱা পৰ্যায়সমূহৰ পৰিস্থিতি পৰ্যালোচনা কৰি বাকী থকা পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৰাজনৈতিক দলসমূহে অধিক আগ্ৰাসী ৰূপত নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ঝাৰখণ্ড, পশ্চিমবংগ আৰু ওড়িশাৰ কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ওড়িশাৰ পুৰীত এটা ৰোড শ্ব'ৰ লগতে ৰাজ্যখনৰ ধেনকানান আৰু কটকত

নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে বিয়লিৰ ভাগত তেওঁ পশ্চিমবংগৰ তামলুক আৰু ঝাৰগ্ৰামত দুখনকৈ জনসভা সম্বোধন কৰিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দক্ষিণ দিল্লী লোকসভা সমষ্টিৰ সংগম বিহাৰত এখন জনসভাক সম্বোধন কৰিব। শ্ৰী শ্বাহে আজি হাৰিয়ানাৰ কৰ্নাল, হিছাৰ আৰু ঝজ্জৰতো জনসভাত অংশ ল'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই নতুন দিল্লী সংসদীয় সমষ্টিৰ মালবিয়া নগৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। দলৰ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে পূব দিল্লী সমষ্টিৰ ময়ূৰবিহাৰত এখন জনসভাক সম্বোধন কৰিব। উত্তৰ-পূব দিল্লী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী কানহায়া কুমাৰে আজি জহৰীপুৰ, গকুলপুৰী আৰু সুভাষ মোহল্লাত বিভিন্ন জনসভাত ভাষণ দিব। উত্তৰ-পশ্চিম দিল্লীৰ দলৰ প্ৰাৰ্থী উদিত ৰাজেই আজি নাংলয় আৰু তিক্ৰী কালানত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

পশ্চিম দিল্লীৰ পৰা আম আদমী পাৰ্টীৰ প্ৰাৰ্থী মহাবল মিশ্ৰই শংকৰ গাৰ্ডেন আৰু ভাৰত বিহাৰ কলনীৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে, দিল্লীৰ ৭খন আসনৰ বাবে অহা ২৫ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

ওড়িশাতো অহা ২৫ মে' আৰু পহিলা জুনত হ'বলগীয়া ষষ্ঠ আৰু অন্তিম পৰ্যায়ৰ সাধাৰণ নিৰ্বাচন তথা ৰাজ্য বিধান সভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণগতিত অব্যাহত আছে। বিজেডি, বিজেপি আৰু কংগ্ৰেছকে ধৰি সকলো গুৰুত্বপূৰ্ণ ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ অভিযানত নামি পৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে কালি বৰগড় সংসদীয় সমষ্টিৰ লোকসভা আৰু বিধানসভা আসন কেইখনৰ বাবে দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলাই জনসাধাৰণক তেওঁলোকৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়। ওড়িশাৰ মুখ্যমন্ত্ৰী আৰু বিজেডিৰ মুৰব্বী নবীন পাটনায়কে কেউনঝাৰ আৰু ভদ্ৰাক সংসদীয় সমষ্টিত আয়োজিত নিৰ্বাচনী সভাক সম্বোধন কৰি বিগত ২৪ বছৰত তেওঁৰ চৰকাৰে কৰি যোৱা কাম-কাজসমূহত আলোকপাত কৰে। আজি তেওঁ ভূৱনেশ্বৰত এটা বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ কথা আছে।

০০০০০০০০০

পঞ্চম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰৰ অন্ত পৰাৰ পাছত বিজেপিৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাত ব্যস্ত হৈ পৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি পশ্চিমবংগৰ সন্দেশখালি, অশোকনগৰ আৰু দমদমত তিনিখনকৈ নিৰ্বাচনী সভাত অংশ লৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ চৰকাৰখনক তীব্ৰ সমালোচনা কৰে। সভাত ভাষণ দি তেওঁ মমতা বেনাৰ্জীয়ে ৰাজ্যখনত কা বলৱৎ হ'ব নিদিয়ে বুলি কোৱা মন্তব্যৰো প্ৰত্যাহ্বান জনায়। বাংলাদেশত উৎপীড়নৰ চিকাৰ হৈ ভাৰতত আশ্ৰয় গ্ৰহণ কৰা সকলক নাগৰিকত্ব প্ৰদান কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কা বলৱৎ কৰাৰ ক্ষমতা কেৱল কেন্দ্ৰৰ হাততহে আছে। আনহাতে, সামগ্ৰীৰ অত্যাধিক দাম বৃদ্ধিৰে ৰাজ্যখনত দুখীয়া-দৰিদ্ৰৰ ওপৰত অত্যাচাৰ চলিছে বুলি অভিযোগ তুলি তেওঁ কয় যে পশ্চিমবংগত পেট্ৰ'ল আৰু ডিজেলৰ দাম দেশৰ ভিতৰতে সৰ্বাধিক। ৰাজ্যখনত প্ৰতিলিটাৰ পেট্ৰ'লৰ দাম ১০৩ টকা হোৱাৰ বিপৰীতে অসম, বিহাৰ, উত্তৰ প্ৰদেশৰ জনসাধাৰণে প্ৰতিলিটাৰ পেট্ৰ'লৰ বাবদ ৯৬ টকাকৈহে আদায় দিব লাগে। ইফালে, লোকসভা নিৰ্বাচনত ৪০০ খনতকৈও অধিক আসন লাভ কৰি নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে আকৌ এবাৰ অধিষ্ঠিত হোৱাৰ পাছত পাক-অধিকৃত কাশ্মীৰ ওভোতাই অনাৰ লগতে মথুৰাত শ্ৰীকৃষ্ণৰ জন্মভূমি নিৰ্মাণ, জ্ঞানবাপীত মন্দিৰ নিৰ্মাণ, ইউ চি চি বলৱৎ আৰু বহুবিবাহ ৰোধ আদিকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০০০

অহা ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে জিলা প্ৰশাসনসমূহে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগেও ৪ জুনৰ ভোটগণনাৰ বাবে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিছে। ৰাজ্যখনৰ ১৪ টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য

বন্দী হৈ থকা আই ভি এমসমূহ ৫০ টা ষ্ট্ৰং ৰূমত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ৰখা হৈছে। ইপিনে, কালি গুৱাহাটীত কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ উদ্যোগত দলৰ কাউণ্টিং এজেণ্টসকলৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই প্ৰশিক্ষণ প্ৰদান কৰা এই কাৰ্যসূচীত অংশ লৈ বৰঠাকুৰে কম ভোটৰ ব্যৱধানত হ'লেও গুৱাহাটী সমষ্টিত জয়লাভ কৰিব বুলি দাবী কৰে।

00000000

ৰাজ্যৰ ভিন্ন প্ৰান্তত যোৱানিশা হোৱা ধুমুহা, বৰষুণ আৰু বজ্ৰপাতত কেইবাটাও পৰিয়াল গৃহহীন হোৱাৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ৰাজহুৱা সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হৈছে। ধুমুহাৰ ফলত ঠায়ে ঠায়ে প্ৰকাণ্ড গছ বাগৰি পৰাত বিদ্যুৎ সেৱা আৰু যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। নলবাৰীৰ বাঁহজানীৰ দৌকুছিত কালি নিশাৰ ভাগত অহা ধুমুহাৰ ফলত গছৰ ডাল ভাঙি বিদ্যুৎ পৰিবাহী খুঁটা উভালি পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। আনহাতে, পশ্চিম নলবাৰীৰ কেইবাঠাইতো গছ উভালি পৰাৰ ফলত স্কুল বাছ, ব্যক্তিগত বাহন আদি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে যাতায়াত ব্যৱস্থাতো ব্যাঘাত জন্মিছে। হাটশিঙিমাৰী-মানকাচৰৰ ৰাজপথতো গছ উভালি যাতায়াত ব্যাহত হৈ পৰিছে।

ইপিনে, ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে অহা ২-৩ দিনলৈ বৃষ্টিপাত অব্যাহত থাকিব বুলি গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। আনহাতে, অহা ৫ জুনৰ ভিতৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ মৌচুমীৰ আগমন ঘটিব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগজাননী দিছে। এইবাৰৰ বাৰিষাত ৰাজস্থানকে ধৰি দেশৰ ২৩ খন ৰাজ্যত বৰষুণৰ পৰিমাণ স্বাভাৱিক হ'ব বুলি পূৰ্বানুমান কৰিলেও ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত পৰ্যাপ্ত বৰষুণ নোহোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

00000

———অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনত ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানসমূহত একাদশ শ্ৰেণীত নাম ভৰ্তিৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ তালিকা আজি **দৰ্পণ পোৰ্টেলত** প্ৰকাশ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে দৰ্পণ পোৰ্টেলত ল'গইন কৰি নামভৰ্তিৰ বাবে নিৰ্বাচিত শিক্ষানুষ্ঠান তথা নিৰ্ধাৰিত শাখাৰ তথ্য লাভ কৰিব পাৰিব। আনহাতে এই প'ৰ্টেলত অহা ২৭ৰ পৰা ৩০ মে'ৰ ভিতৰত নামভৰ্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। শিক্ষা সংসদৰ অধীনত এইবাৰ একাদশ শ্ৰেণীৰ নামভৰ্তিৰ বাবে দৰ্পণ প'ৰ্টেলৰ জৰিয়তে এই পৰ্যন্ত তিনি লাখ ১৬ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিছে। শিক্ষা সংসদে লোৱা সিদ্ধান্ত অনুসৰি দৰ্পণ প'ৰ্টেলৰ জৰিয়তে নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীকহে পৰৱৰ্তী পৰ্যায়ত একাদশ শ্ৰেণীৰ পঞ্জীয়নৰ আওতাত ৰখা হ'ব আৰু অনাগত পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বৰ বাবে যোগ্য হিচাপে বিবেচনা কৰা হ'ব বুলি অসম মাধ্যমিক শিক্ষা সংসদৰ এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰিছে।

0000

উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ উত্তৰ বহী পুনৰীক্ষণৰ বাবে পৰীক্ষাৰ্থীসকলে অনলাইনৰ জৰিয়তেহে আবেদন জনাব পাৰিব। এই সন্দৰ্ভত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে জাৰি কৰা এখন অধিসূচনা অনুসৰি উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচৰা পৰীক্ষাৰ্থীসকলে অহা ২২ মে'ৰ বিয়লি ৫ বজা পৰ্যন্ত ahsec.assam.gov.inত অনলাইন আবেদন কৰিব পাৰিব। ইয়াৰ বাবে পৰীক্ষাৰ্থীসকলে মাচুলো অনলাইনযোগে আদায় কৰিব লাগিব।

0000

বিগত পাঁচ বছৰত ৰাজ্যৰ MUTUAL FUND খণ্ডত বিনিয়োগৰ হাৰ অভাৱনীয় হাৰত বৃদ্ধি হৈছে। এই ক্ষেত্ৰখনত ২০২০-ৰ ১১ হাজাৰ ২৯৮ কোটি টকাৰ বিপৰীতে ২০২৪-ত বিনিয়োগৰ পৰিমাণ ১৫৯ শতাংশ বৃদ্ধিৰে ২৯ হাজাৰ ২৬৮ কোটি টকা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই তথ্য প্ৰকাশ কৰি কয় যে MUTUAL FUND-ত অসমৰ বিনিয়োগৰাকীৰ বিনিয়োগ বৃদ্ধিৰ এই বাতৰিয়ে আশাৰ বতৰা কঢ়িয়াইছে। এই পৰিসংখ্যাই ৰাজ্যৰ বিনিয়োগ বজাৰসমূহৰ ওপৰত জনসাধাৰণৰ আস্থাৰ লগতে আয় বৃদ্ধিৰো সংকেট বহন কৰা বুলি তেওঁ উল্লেখ কৰে।

00000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ দক্ষতা বিকাশৰ দিশত যুৱ প্ৰতিভাসকলে অত্যাধুনিক প্ৰশিক্ষণ লাভ কৰাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উৎকৃষ্ট প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ অসম দক্ষতা বিকাশ অভিযানৰ অধীনত ভাৰত দক্ষতা ৰাষ্ট্ৰীয় প্ৰতিযোগিতা, ২০২৪-ত অংশগ্ৰহণ কৰি ৰাজ্যৰ কেইবাগৰাকীও যুৱক-যুৱতীয়ে শ্ৰেষ্ঠত্ব প্ৰদৰ্শনেৰে গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাৰ বিউটী থেৰাপি শাখাত স্বৰ্ণ জয় কৰি প্ৰীতিশা বৰ্মনে ফ্ৰান্সৰ লায়নত অনুষ্ঠিত হ'বলগীয়া ৱৰ্ল্ড স্কীল্‌ছ, ২০২৪ শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। একেদৰে নিজ নিজ দক্ষতা ক্ষেত্ৰত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰি এই প্ৰতিযোগিতাত অসমৰ আন ৪ গৰাকী যুৱ প্ৰতিভা মৃদুস্মিতা, দ্বৈপায়ন, যদুমণি আৰু সুশীলা লাক্ৰাই পদক জয় কৰিবলৈ সমৰ্থ হৈছে। দক্ষতা বিকাশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি প্ৰতিযোগিতাৰ বিজয়ীসকলক অভিনন্দন জ্ঞাপন কৰে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি ৰাজস্থান ৰয়েলছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে বাতিল কৰিবলগীয়া হয়। বৰষুণৰ বাবে নিৰ্ধাৰিত সময়তকৈ চাৰে ৩ ঘণ্টা পলমকৈ হোৱা টছত জিকি কলকাতা নাইট ৰাইডাৰ্ছৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰতিকুল বতৰৰ বাবে খেলখন ৭ অভাৰলৈ সীমিত কৰিবলৈ বাধ্য হয় যদিও ইয়াৰ ঠিক পাছতেই পুনৰ বৰষুণ হোৱাত খেলখন সম্পূৰ্ণৰূপে বাতিল ঘোষণা কৰা হয়। ফলাফলবিহীন এই খেলখনৰ বাবে ৰাজস্থান ৰয়েলছ প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থানত থাকে। প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ত দলটোৱে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সৈতে এলিমিনেটৰ যুঁজত অৱতীৰ্ণ হ'ব। ইপিনে ছানৰাইজাৰ্ছ হায়দৰাবাদে কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে কালি হায়দৰাবাদৰ ৰাজীৱ গান্ধী ইণ্টাৰনেচনেল ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে পাঞ্জাব কিংছক ৪ উইকেটত পৰাস্ত কৰে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত ১৭ পইণ্টেৰে ছানৰাইজাৰ্ছ হায়দৰাবাদ দ্বিতীয় স্থানত থকাৰ বিপৰীতে ১৯ পইণ্টেৰে কলকাতা নাইট ৰাইডাৰ্ছ প্ৰথম স্থানত আৰু ৰাজস্থান ৰয়েলছ ১৬ পইণ্টেৰে তৃতীয় স্থানত আছে।

০০০০

আই পি এল দল ৰাজস্থান ৰয়েল্‌ছৰ ক্ৰিকেট সঞ্চালক তথা দলটোৰ মুখ্য প্ৰশিক্ষক কুমাৰ ছাংগাকাৰাই আজি অসমৰ জুনিয়ৰ ক্ৰিকেটাৰসকলৰ লগত এটা বাৰ্তালাপ অনুষ্ঠানত অংশ ল'ব। ইতিমধ্যে অসম ক্ৰিকেট একাডেমীয়ে এই অনুষ্ঠানৰ বাবে ৩৩ গৰাকী খেলুৱৈ বাছনি কৰিছে। ৰাজ্যৰ ১৯ বছৰ অনুৰ্দ্ধ পুৰুষ আৰু মহিলা ক্ৰিকেটাৰে এই অনুষ্ঠানত অংশ ল'ব।

০০০০০০০০

ইৰাণৰ সৰ্বোচ্চ নেতা আলী খামেনেই হেলিকপ্টাৰ দুৰ্ঘটনাত এতিয়ালৈকে নিৰুদ্দিষ্ট হৈ থকা দেশখনৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু তেওঁৰ সৈতে থকা আন সহযোগীসকলৰ প্ৰত্যাৱৰ্তনৰ বাবে প্ৰাৰ্থনা জনাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ইৰাণে ইতিমধ্যে দুৰ্ঘটনাগ্ৰস্ত হেলিকপ্টাৰখনৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। ৰাছিয়া আৰু তুৰস্ককে ধৰি কেইবাখনো দেশে সহায়ৰ বাবে অনুসন্ধান আৰু উদ্ধাৰকাৰী দল প্ৰেৰণ কৰিছে। ইউৰোপীয় সংঘই ৰাষ্ট্ৰপতিগৰাকীৰ সন্ধানত ৰেপিড ৰেছপন্স মেপিং সেৱা সক্ৰিয় কৰি তুলিছে।

ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতিগৰাকীৰ হেলিকপ্টাৰ দুৰ্ঘটনাৰ সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, দেশখনৰ এই বিপদৰ সময়ত ভাৰত ইৰাণৰ জনসাধাৰণৰ সৈতে আছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ৰাষ্ট্ৰপতি ৰাইছি আৰু তেওঁৰ সহযোগী সদস্যসকলৰ মংগল কামনা কৰে।

০০০০০০০০

ফ্ৰেন্স অ'পেন ২০২৪ টেনিছ টুৰ্নামেণ্ট আজিৰে পৰা পেৰিছৰ ষ্টেড ৰোলাণ্ড গেৰোছত অনুষ্ঠিত হ'ব। ভাৰতৰ তাৰকা খেলুৱৈ সুমিত নাগালে পুৰুষৰ ছিংগলছৰ মূল ড্ৰ খেলত স্থান নিশ্চিত কৰিছে। ২০১৯ চনত প্ৰাজনেছ গুনেশ্বৰণৰ পাছত ফ্ৰেন্স অ'পেন মূল ড্ৰৰ বাবে কোৱালিফায়াৰ কৰা সুমিত নাগাল হৈছে প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ। এই টুৰ্নামেণ্টৰ পুৰুষৰ ছিংগলছৰ এইবাৰ মূল আকৰ্ষণ হ'ব কিং অব্ ক্লে হিচাপে খ্যাত স্পেইনৰ ৰাফেল নাডাল আৰু ছাৰ্বিয়াৰ বিশ্বৰ এক নম্বৰ স্থানৰ খেলুৱৈ ন'ভাক জ'ক'ভিক।

০০০০০০০০

আজি অষ্টাদশ লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ। এই বাতৰিটো আজি ই ভি এমত বন্দী হ'ব ৰাহুল, স্মৃতি, ৰাজনাথৰ ভাগ্য শিৰোনামেৰে **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে আৰু **দৈনিক অগ্ৰদূত** কাকতে ছয় ৰাজ্য, দুই কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯টা সমষ্টিত পঞ্চম পৰ্যায়ৰ ভোট শীৰ্ষক শিৰোনামেৰে প্ৰকাশ কৰিছে।

কৃষি বিভাগৰ চৰ্ত একেলগে ১৫ বিঘা কৃষি ভূমি থাকিলেহে খেতিয়কে পাব সৌৰ চালিত পাম্প ছেট। এই বাতৰিক চৰকাৰৰ আজব নিৰ্দেশনাত কৃষকৰ হাহাকাৰ শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পশ্চিম বংগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তিনিখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত শৰ্মাৰ মন্তব্য হিন্দুক আক্ৰমণ কৰাটো তৃণমূল কংগ্ৰেছৰ ধৰ্মনিৰপেক্ষতাৰ নতুন সংজ্ঞা। এই বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এবছৰত অৰ্ধ লক্ষ্যাধিক লোক যক্ষ্মাত আক্ৰান্ত, ৰাজ্যৰ স্বাস্থ্যখণ্ডত নিতৌ ন ন প্ৰযুক্তিৰ আমদানি কৰাৰ পাছতো যক্ষ্মা ৰোগৰ ক্ষেত্ৰত উদ্বেগজনক পৰিস্থিতি, ঔষধ নাটনিৰ কথা স্বীকাৰ স্বাস্থ্য মন্ত্ৰীৰ এই বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

কেলচিয়াম, কাৰ্বাইডেৰে পকোৱা বিভিন্ন ফল-মূলেৰে ভৰিছে বজাৰ। এই পদাৰ্থ ব্যৱহাৰযুক্ত ফল-মূলসমূহ খাদ্য উপযোগী নহয় বুলি মন্তব্য ৰাষ্ট্ৰীয় সংস্থা ফুড ছেফটি এণ্ড ষ্টেণ্ডাৰ্ডছ অথৰিটী অব ইণ্ডিয়াৰ এই বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে ৰাজ্য চৰকাৰৰ শিক্ষক নিযুক্তি সন্দৰ্ভত State Gov. to appoint 14 thousand teachers soon শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দ্যা ছেণ্টিনেল** কাকতে Trust in Mutual Funds speaks volumes about the rise in income : CM এই বাতৰিটো প্ৰথম পৃষ্ঠা প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – প্ৰথম অসমীয়া মহিলা বিমান পাইলট ধীৰা হাজৰিকা চলিহাক বীৰাংগনা মূলাগাভৰু বঁটা, আগ্ৰাত আয়কৰ বিভাগৰ অভিযানত তিনিটা জোতা ব্যৱসায়ীৰ ঘৰত ৬০ কোটি টকা উদ্ধাৰ। গুৱাহাটীত কম ভোটত জয়লাভ কৰিম বুলি দাবী মীৰা বৰঠাকুৰৰ, নিম্নমানৰ খাদ্য প্ৰস্তুতৰ গোচৰত পতঞ্জলিৰ বিষয়াসহ তিনিজনক কাৰাদণ্ড, দুৰ্গম অঞ্চলত ২০০ খন মডেল স্কুল স্থাপনৰ দাবী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

সমাপ্ত